**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-04-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
**::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ কাইলৈ প্ৰচাৰৰ সামৰণি। শাসক-বিৰোধীৰ প্ৰচাৰ অভিযান অব্যাহত।

২। নাগ্ৰীজুলিত আজি বিজেপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰচাৰ। আজি এ আই ইউ ডি এফৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি।

৩। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত দেশৰ ১২ খন ৰাজ্যৰ ৮৮ টা সমষ্টিত এহেজাৰ ১৯৮টা গৰাকী প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতা।

৪। অসমকে ধৰি দেশৰ কেইবাখনো ৰাজ্যত বতৰ বিজ্ঞান বিভাগৰ প্ৰবল বৰষুণৰ আশংকা প্ৰকাশ।

***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই ছুপাৰ কিংছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ মুখামুখি।

০০০০০০০

ৰাজ্যত ২৬ এপ্ৰিলত লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও লোকসভা সমষ্টিত ভোটদাতাসকলে ভোটাধিকাৰ সাব্যস্ত কৰিব। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান কাইলৈ অন্ত পৰিব। ইয়াৰ সমান্তৰালকৈ ৰাজ্যত তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবেও প্ৰচাৰ অভিযান অব্যাহত আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিয়লি দৰং-ওদালগুৰি সমষ্টিৰ অন্তৰ্গত নাগ্ৰীজুলিত হ'বলগীয়া এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীৰ আগমনক লৈ মিত্ৰজোঁট বিজেপি, অসম গণ পৰিষদ আৰু ইউ পি পি এলৰ নেতা কৰ্মীসকলে ব্যাপক প্ৰস্তুতি চলাইছে। সমষ্টিটোৰ এন ডি এৰ প্ৰাৰ্থী দিলীপ শইকীয়াৰ হৈ কালি মন্ত্ৰী অশোক সিংঘালে তামুলপুৰত প্ৰচাৰ চলায়। তেওঁ তামুলপুৰ বিধানসভা সমষ্টিৰ ৪টা স্থানত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। এই প্ৰচাৰ সভাত বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱেও অংশগ্ৰহণ কৰে।

গুৱাহাটী লোকসভা সমষ্টিতো প্ৰচাৰ অভিযান তুংগত উঠিছে। বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে কালি ক্ষেত্ৰী গাঁও পঞ্চায়ত আৰু ধূপগুৰি গাঁও পঞ্চায়তত প্ৰচাৰ চলায়। তেওঁ বিয়লি সোণাপুৰত এটা সমদলতো অংশগ্ৰহণ কৰে। সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰে মহানগৰৰ চানমাৰিত কালি এখন বৃহৎ প্ৰচাৰ সভাৰ আয়োজন কৰে। এই সভাত অংশগ্ৰহণ কৰি কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেতা সুপ্ৰিয়া শ্ৰীনাটে প্ৰধানমন্ত্ৰীৰ লগতে বিজেপিক তীব্ৰ সমালোচনা কৰে। এই সভাত কংগ্ৰেছৰ আন এগৰাকী ৰাষ্ট্ৰীয় নেতা মহিমা সিঙো উপস্থিত আছিল।

বৰপেটা সমষ্টিত মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা অগপ নেতা ফণীভূষণ চৌধুৰীৰ হৈ বিজেপি নেতা তথা মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে বজালীৰ চাউলীয়াবড়িত প্ৰচাৰ চলায়। বিজেপি নেতা তথা মন্ত্ৰী পীয়ুষ হাজৰিকাই নগাঁও সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ মৰিগাঁও জিলাৰ ভূৰবন্ধাত কালি প্ৰচাৰ চলায়। সমষ্টিটোৰ

কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈৰ হৈ সন্মিলিত বিৰোধীয়ে কালি ব্যাপক প্ৰচাৰ চলায়। ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, অজাপৰ সভাপতি লুৰিনজ্যোতি গগৈ আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই সমষ্টিটোৰ বিভিন্ন স্থানত প্ৰচাৰ চলায়।

০০০০০০০

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে ৰাজ্যত শাসক-বিৰোধী উভয়ে তৎপৰতা অব্যাহত ৰাখিছে। ৰাজ্যৰ অন্যতম ৰাজনৈতিক বিৰোধী দল এ আই ইউ ডি এফে আজি গুৱাহাটীৰ হাতীগাঁৱত থকা দলৰ মুখ্য কাৰ্যালয়ত নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰিব। এই উপলক্ষে দলটোৱে আজি দুপৰীয়া এখন সংবাদমেলৰ আয়োজন কৰিছে।

০০০০০০০

দেশৰ ১২ খন ৰাজ্যৰ ৮৮টা সমষ্টিত ২৬ এপ্ৰিলত দ্বিতীয় পৰ্যায়ত লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত সামগ্ৰীকভাৱে এহেজাৰ ১৯৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। এই পৰ্যায়ৰ উল্লেখযোগ্য প্ৰাৰ্থীৰ ভিতৰত আছে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধী, কংগ্ৰেছ নেতা ভূপেশ বাঘেল, জনতা দল এছ্‌ৰ নেতা তথা কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এইচ ডি কুমাৰস্বামী, কংগ্ৰেছ নেতা শশী থাৰুৰ, লোকসভাৰ বিদায়ী অধ্যক্ষ ওম বিৰলা, ৰামায়ণ ধাৰাবাহিকত ৰামৰ চৰিত্ৰত অভিনয় কৰা অৰুণ গোভিল, অভিনেত্ৰী ৰাজনীতিক হেমা মালিনী, কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, কেন্দ্ৰীয় মন্ত্ৰী মহেশ শৰ্মা আদি। ৰাহুল গান্ধীয়ে কেৰালাৰ ৱায়ানাড় সমষ্টিত একেৰাহে দ্বিতীয়বাৰৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ৰাজস্থানৰ কোটা সমষ্টিত একেৰাহে তৃতীয়বাৰৰ বাবে বিজেপি প্ৰাৰ্থী হিচাপে অৱতীৰ্ণ হৈছে। পূৰ্বৰ দুয়োটা নিৰ্বাচনতে জয়ী হৈ সাংসদ হোৱা হেমা মালিনীয়ে এইবাৰ পুনৰ মথুৰা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছে। কেৰালাৰ তিৰুৱন্তনপুৰমত কংগ্ৰেছ নেতা শশী থাৰুৱে প্ৰতিদ্বন্দ্বিতা কৰিছে।

০০০০০০০

ৰাজ্যৰ ৪টা সমষ্টিৰ বাবে হ'বলগীয়া তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাতো নিশ্চিত হৈছে। কালি তৃতীয় পৰ্যায়ৰ বাবে মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনা কোকৰাঝাৰৰ ৩ গৰাকী আৰু ধুবুৰীৰ দুগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। আনফালে কোকৰাঝাৰ সমষ্টিত ১২ গৰাকী, ধুবুৰী সমষ্টিত ১৩ গৰাকী, বৰপেটা সমষ্টিত ১৪ গৰাকী আৰু গুৱাহাটী সমষ্টিত ৮ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ ঘোষণা হৈছে।

উল্লেখযোগ্য যে অহা ২৬ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত অসমত ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। কৰিমগঞ্জত ২৪, নগাঁৱত ১৩, দৰং-ওদালগুৰিত ১১, শিলচৰত ৮ আৰু ডিফুত ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই পৰ্যায়ত ৰাজ্যখনৰ দৰং-ওদালগুৰি সমষ্টিত এন ডি এৰ প্ৰাৰ্থী তথা সাংসদ দিলীপ শইকীয়া, কংগ্ৰেছৰ মাধৱ ৰাজবংশী আৰু বিপিএফৰ দুৰ্গাদাস বড়োয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইপিনে, শিলচৰত বিজেপি মিত্ৰজোঁটৰ পৰিমল শুক্লবৈদ্য, তৃণমূল কংগ্ৰেছৰ ৰাধাশ্যাম বিশ্বাস আৰু কংগ্ৰেছ দলৰ সূৰ্য্যকান্ত সৰকাৰে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। কৰিমগঞ্জত বিজেপি মিত্ৰজোঁটৰ কৃপানাথ মাল্লা, কংগ্ৰেছৰ হাফিজ ৰছিদ চৌধুৰী আৰু এ আই ইউ ডি এফৰ চাহাবুল ইছলাম চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। নগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ বিপৰীতে কংগ্ৰেছ দলৰ প্ৰদ্যুৎ বৰদলৈ আৰু এ আই ইউ ডি এফৰ আমিনুল ইছলামে প্ৰতিদ্বন্দ্বিতা কৰিব। অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সমষ্টিত

বিজেপি মিত্ৰজোঁটৰ হৈ অমৰ সিং টিছ্', কংগ্ৰেছৰ জয়ৰাম ইংলেং আৰু গণ সুৰক্ষা পাৰ্টীৰ জন বাৰ্নাড চাংমাই প্ৰতিদ্বন্দ্বিতা কৰিব।

সমগ্ৰ দেশত দ্বিতীয় পৰ্যায়ত নিৰ্বাচনত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীসকলৰ ভিতৰত সামগ্ৰিকভাৱে ৮ দশমিক ৬ শতাংশ মহিলা প্ৰাৰ্থী আছে। এই পৰ্যায়ত অসম আৰু ত্ৰিপুৰাত দুগৰাকীকৈ মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি জানিব পৰা গৈছে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত প্ৰাৰ্থীসকলৰ ভিতৰত মহিলা প্ৰাৰ্থী ৮ দশমিক ২ শতাংশ আছিল। দ্বিতীয় পৰ্যায়ত কেৰালাত সৰ্বাধিক ২৫ গৰাকী মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আনহাতে, কৰ্ণাটকত ২১ গৰাকী আৰু উত্তৰ প্ৰদেশত ১০ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০০০

উজনি অসমৰ লখিমপুৰ, শোণিতপুৰ, ডিব্ৰুগড়, কাজিৰঙা আৰু যোৰহাট লোকসভা সমষ্টিত হৈ যোৱা প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ পাছত সমষ্টিকেইটাৰ সকলো বিধায়কৰ সৈতে আজি ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হ'ব। ৰাজ্যৰ বাহিৰত নিৰ্বাচনী প্ৰচাৰত ব্যস্ত থকাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আহি নোপোৱাৰ বাবে কালি নিশা হ'বলগীয়া পৰ্যালোচনা বৈঠকখন বাতিল কৰা হৈছিল।

০০০০০০০

অসমকে ধৰি দেশৰ কেইবাখনো ৰাজ্যত বতৰ বিজ্ঞান বিভাগে  প্ৰবল বৰষুণৰ আশংকা প্ৰকাশ কৰিছে। কাইলৈৰ ভিতৰত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, ত্ৰিপুৰা, মণিপুৰ, পশ্চিমবংগ, ছিকিম, ওড়িশা, ঝাৰখণ্ড, জম্মু-কাশ্মীৰ, হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, ৰাজস্থান, উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, ছত্তিশগড়, তামিলনাডু, কেৰালা, কৰ্ণাটক, তেলেংগানাত প্ৰবল বৰষুণ হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে। ইপিনে, বিভাগটোৱে দেশৰ ৪ খন ৰাজ্যত প্ৰৱল গ্ৰীষ্ম প্ৰবাহৰ আশংকাও প্ৰকাশ কৰিছে। বিহাৰ, উত্তৰ প্ৰদেশ, ওড়িশা আৰু পশ্চিমবংগত গ্ৰীষ্ম প্ৰবাহৰ আশংকা প্ৰকাশ কৰাৰ লগতে এই প্ৰৱাহ পূব ভাৰতৰ আন আন ৰাজ্যলৈও সম্প্ৰসাৰিত হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে সতৰ্কবাণী শুনাইছে।  কেইবাখনো ৰাজ্যত তাপমাত্ৰা ৪২ৰ পৰা ৪৫ ডিগ্ৰী হ'ব পাৰে বুলিও বিভাগটোৱে আশংকা প্ৰকাশ কৰিছে। ইপিনে, দেশৰ গৰমৰ মাত্ৰা বৃদ্ধি পাব বুলি বতৰ বিজ্ঞান বিভাগে সতৰ্কবাণী কৰাৰ পাছত কালি নিৰ্বাচন আয়োগে বিষয়টো সন্দৰ্ভত পৰ্যালোচনা কৰাৰ বাবে এখন বৈঠকৰ আয়োজন কৰে। এই বৈঠকত পৰৱৰ্তী ৭টা পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া ভোটগ্ৰহণ প্ৰক্ৰিয়াত যাতে কোনো ধৰণৰ অসুবিধাৰ সৃষ্টি নহয় সেই বিষয়ে আলোচনা কৰা হয়।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি দুদিনীয়া ভ্ৰমণসূচীৰে উত্তৰাখণ্ডত উপস্থিত হ'ব। সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান এইমছ্ ঋষিকেশত সমাবৰ্তন অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। তেওঁ ঋষিকেশৰ পৰমৰ্থ আশ্ৰমৰ প্ৰতিনিধিসকলক সাক্ষাৎ কৰাৰ লগতে সন্ধিয়া গংগা আৰতীত উপস্থিত থাকিব। কাইলৈ ভাৰতীয় বন সেৱাৰ সমাবৰ্তন অনুষ্ঠানতো তেওঁ মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত পদ্ম বঁটাসমূহ প্ৰদান কৰে। ২০২৪ বৰ্ষৰ বাবে ৩ গৰাকী ব্যক্তিক পদ্ম বিভূষণ, ৮ গৰাকী ব্যক্তিক পদ্ম ভূষণ আৰু ৫৫ গৰাকী ব্যক্তিক পদ্মশ্ৰী সন্মান

প্ৰদান কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডু আৰু ভাৰত নাট্যমৰ বিশিষ্ট শিল্পী ড০ পদ্মা সুব্ৰমণ্যমক পদ্ম বিভূষণ সন্মান প্ৰদান কৰে। আনহাতে বিন্দেশ্বৰ পাঠকক মৰণোত্তৰভাৱে পদ্ম বিভূষণ বঁটা প্ৰদান কৰা হয়। অসমৰ পৰা হস্তী বিশেষজ্ঞ পাৰ্বতী বৰুৱা, চিৰাঙৰ প্ৰগতিশীল কৃষক সৰ্বেশ্বৰ বসুমতাৰী আৰু দৰঙৰ সুকন্নানী শিল্পী দ্ৰোন ভূঞাক পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰা হৈছে। এই অনুষ্ঠানতে অভিনেতা মিথুন চক্ৰৱৰ্তী আৰু সংগীত শিল্পী উষা উত্থুপে পদ্ম ভূষণ বঁটা গ্ৰহণ কৰে।

পদ্ম ভূষণ বঁটাপ্ৰাপক আন আন ব্যক্তিসকল হ'ল- ড০ চন্দ্ৰেশ্বৰ প্ৰসাদ ঠাকুৰ, মাৰাঠী ছবি প্ৰযোজক দত্তাত্ৰে এম্বাদাস মায়ালো এলিয়াছ ৰাজদত্ত, সমাজসেৱক ড০ সীতাৰাম জিন্দাল, হৃদৰোগ বিশেষজ্ঞ ডাঃ তেজছ মধুসূদন পেটেল আৰু উত্তৰ প্ৰদেশৰ প্ৰাক্তন ৰাজ্যপাল ৰাম নাইক।

প্ৰবীন টেনিছ খেলুৱে ৰোহন বোপান্নাক ক্ৰীড়া ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে পদ্মশ্ৰী সন্মান প্ৰদান কৰা হয়। এই অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিনকেইটাত অৰ্থাৎ অহা ২৬ এপ্ৰিল আৰু ৭ মে'ৰ দুপৰীয়া ১ বাজি ২০ মিনিট আৰু সন্ধিয়া ৭ বাজি ২০ মিনিটত বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানটি আমাৰ ইউটিউব চেনেল Air News Guwahati আৰু News on AIR এপতো শুনিবলৈ পোৱা যাব। আনহাতে, নিৰ্বাচনী প্ৰচাৰৰ পৰিপ্ৰেক্ষিতত অহা ২৬ এপ্ৰিল, ৭, ১৩, ২০ আৰু ২৫ মে' তথা ১ জুনৰ নিশা ৯ বাজি ২৫ মিনিটৰ আঞ্চলিক বাতৰি নিশা ৯ বাজি ১০ মিনিটত প্ৰচাৰ কৰা হ'ব।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি চেন্নাইৰ এম এ চিদম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে যোৱা নিশা অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে মুম্বাই ইণ্ডিয়ানছক ৯ উইকেটত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ১৮ অভাৰ ৪টা বলত এটা উইকেট হেৰুৱাই ১৮৩ ৰান সংগ্ৰহ কৰি বিজয় সাব্যস্ত কৰে। ৰাজস্থান ৰয়েলছৰ হৈ য়যশ্বী জয়ছোৱালে অপৰাজিত ১০৪ ৰান কৰাৰ বিপৰীতে সঞ্জু ছেমছনে অপৰাজিত ৩৮ ৰান কৰে।

ইয়াৰ পূৰ্বে মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰি ৯ উইকেটৰ বিনিময়ত ১৭৯ কৰে। মুম্বাই ইণ্ডিয়ানছৰ হৈ তিলক বাৰ্মাই ৪৫টা বলত সৰ্বাধিক ৬৫ ৰান কৰাৰ বিপৰীতে ৰাজস্থান ৰয়েলছৰ হৈ সন্দীপ শৰ্মাই ৫টা উইকেট দখল কৰে। সন্দীপ শৰ্মাক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। এই জয়ৰ সুবাদত ৰাজস্থান ৰয়েলছে মুঠ ৮খন খেলৰ ভিতৰত ৭খনতে জয়লাভ কৰি পইণ্ট তালিকাৰ শীৰ্ষত আছে। আনহাতে মুম্বাই ইণ্ডিয়ানছে ৩খন খেলত জয়লাভ কৰি পইণ্ট তালিকাৰ সপ্তম স্থান আছে।

০০০০০০০

হংকঙত অনুষ্ঠিত এছিয়ান জুড' চেম্পিয়নশ্বিপ ২০২৪ৰ ছেমি ফাইনেলত কালি ভাৰতৰ তুলিকা মানে স্থান নিশ্চিত কৰিছে। খেলুৱৈগৰাকীয়ে মহিলাৰ ৭৮ কিলোগ্ৰাম শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰথম স্থানৰ খেলুৱৈ আৰু বৰ্তমান এছিয়াড চেম্পিয়ন দক্ষিণ কোৰিয়াৰ কিম হায়নক পৰাজিত কৰে।

০০০০০০০

## Newspaper Review (23-4-2024 Morn.)

কেৰালাৰ বায়ানাড এৰ্নাকুলামত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ৰোড শ্ব'ৰ বাতৰিটো গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

পশ্চিমবংগৰ ২০১৬ চনৰ শিক্ষক নিযুক্তি প্ৰক্ৰিয়া কলিকতা উচ্চ ন্যায়ালয়ে বাতিল কৰা বাতৰিটো আজি দৈনিক অসম, অগ্ৰদূত, আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বিশ্ববিদ্যালয় অনুদান আয়োগে গৱেষণা কৰা আৰু ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ ক্ষেত্ৰত কেতবোৰ সংস্কাৰ সাধন কৰিছে- এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে **ইউ জি চিৰ অধ্যক্ষৰ ঘোষণা, ন্যূনতম ৭৫ শতাংশ নম্বৰ প্ৰাপ্ত ৪ বছৰীয়া স্নাতকে কৰিব পাৰিব পি এইছ ডি** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণত ৰাজ্যৰ ৪টা সমষ্টিত ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। এই বাতৰিটো অসমীয়া খবৰ কাকতে **তৃতীয় পৰ্যায়ৰ ৪ সমষ্টিত ৪৭ প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতা ঃ গুৱাহাটীত কংগ্ৰেছৰ মীৰা, বিজেপিৰ বিজুলী সহ ৮ প্ৰাৰ্থীৰ মনোনয়ন** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে কালি ৰাষ্ট্ৰপতি ভৱনত ২০২৪ বৰ্ষৰ বাবে ঘোষিত পদ্ম সন্মানসমূহ প্ৰদান কৰে। অসমৰ পাৰ্বতী বৰুৱা, দ্ৰোণ ভূঞা আৰু সৰ্বেশ্বৰ বসুমতাৰীক পদ্মশ্ৰী সন্মান প্ৰদান কৰাৰ বাতৰিটো নিয়মীয়া বাৰ্তা, দি আছাম ট্ৰিবিউন, দ্যা ছেণ্টিনেল আদিকে ধৰি প্ৰায় আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। দ্যা ছেণ্টিনেল কাকতত এই বাতৰিৰ শিৰোনাম President Confers Padma Shree on Assame's Basumotari and Bhuyan.

লোকসভা নিৰ্বাচনত এইবাৰ প্ৰচণ্ড গৰমে সমগ্ৰ দেশকে দহিব বুলি আশংকা কৰা বাতৰিটো **উদ্বিগ্ন নিৰ্বাচন আয়োগৰ টাস্ক ফোৰ্চ গঠন, নিৰ্বাচনকো দহিব উৎকট গৰমে** শিৰোনামেৰে দৈনিক জনমভূমি কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – হাইকোৰ্টত চৰকাৰৰ শপতনামা- কৰিড'ৰ নিৰ্মাণে কামাখ্যা মন্দিৰ পাহাৰৰ নকৰে ক্ষতি, আজিৰে পৰা বৰাকত নিৰ্বাচনী প্ৰচাৰ সৰ্বানন্দ সোণোৱালৰ, বিপজ্জনকভাৱে খহি পৰিল দিখৌৰ নিৰ্মিয়মান দলং, এবছৰত ৬৬ হাজাৰ লোকে ত্যাগ কৰিলে ভাৰতীয় নাগৰিকত্ব ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।০০০০০০০০

০০০০০০০

**সমাপ্ত**